5

Total No. of Printed Pages—3

**4 SEM TDC ASM M 2**

**2015**

( May )

ASSAMESE

( Major )

Course : 402

( অসমৰ ভাষা আৰু লিপি )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমত কি কি ভাষা-পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে? অসমত প্ৰচলিত ভাৰতীয় আৰ্যমূলীয় ভাষাসমূহৰ এটি পৰিচয়সূচক টোকা যুগুত কৰাঁ। ৩+১২=১৫

অথবা

(খ) অসমত প্ৰচলন হৈ থকা টাই গোষ্ঠীৰ ভাষাসমূহৰ নাম উল্লেখ কৰি সিবিলাকৰ এটি পৰিচয় যুগুতোৱাঁ। ৩+১২=১৫

২। (ক) অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) উপভাষা কাক বোলে? কামৰূপী উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ উল্লেখ কৰাঁ। ৩+১২=১৫

৩। বড়ো *অথবা* মিচিং ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ৭+৭=১৪

৪। (ক) 'অসমীয়া ভাষালৈ তিব্বত-বৰ্মীয় ভাষাৰ অৱদান' শীৰ্ষক এটি টোকা প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) কাৰ্বি ভাষাত অসমীয়া ভাষাৰ উপাদান সৰবৰাহ হোৱাৰ সম্ভাব্য কাৰণসমূহ উল্লেখ কৰি প্ৰাপ্ত উপাদানসমূহৰ বিষয়ে আলোচনা কৰাঁ। ৫+১০=১৫

৫। (ক) ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ সম্পৰ্কে বিতংভাৱে আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) চমু টোকা লিখাঁ : ৫×৩=১৫

(১) গড়গঞা লিপি

(২) অসমৰ আৰ্য-ভিন্ন ভাষাৰ লিপি

(৩) কানাই বৰশীবোৱা শিলালিপি

৬। চমু উত্তৰ দিয়াঁ : ১×৬=৬

(ক) গোলোকচন্দ্ৰ গোস্বামীৰ ধ্বনিবিজ্ঞান গ্ৰন্থখনৰ নাম লিখাঁ।

(খ) তুৰুং ভাষা কোন ভাষা-পৰিয়ালৰ অন্তৰ্গত ভাষা?

(গ) অসমীয়া লিপিৰ নিদৰ্শন থকা প্ৰথমখন লিপিৰ নাম লিখাঁ।

(ঘ) উপেন্দ্ৰনাথ গোস্বামীৰ লিপি-বিষয়ক গ্ৰন্থখনৰ নাম লিখাঁ।

(ঙ) অসমৰ ভাষাসমূহক সামৰি লিখা ভাষা-বিষয়ক এখন গ্ৰন্থৰ নাম লিখাঁ।

(চ) মিচিং ভাষাৰ বাবে কি লিপি গ্ৰহণ কৰা হৈছে?

★★★